PG (CBCS) EVEN SEMESTER EXAMINATION, 2023

ASSAMESE

4th Semester

COURSE NO. ASMCC - 401

(Assamese Novel)

Full Marks : 70
Pass Marks : 28

Time : 3 hours

The figures in the margin indicate full marks for the questions

Answer all the questions

Unit - I

১) (ক) "বিংশ শতিকাৰ প্ৰথমাৰ্দ্ধ হ'ল অসমীয়া উপন্যাসৰ বিকাশ আৰু প্ৰতিষ্ঠাৰ পৰ্ব আৰু দ্বিতীয়াৰ্দ্ধ হ'ল অসমীয়া উপন্যাসৰ বিচিত্ৰতা আৰু বিস্তাৰ পৰ্ব।" - এই কথাষাৰৰ আঁত ধৰি বিংশ শতিকাৰ প্ৰথমাৰ্দ্ধত কিদৰে অসমীয়া উপন্যাসৰ আৰম্ভণি ঘটিল আৰু শতিকাটোৰ শেষৰ ফালে ইয়াৰ বিকাশ ঘটিল, সেই সম্পৰ্কে ফঁহিয়াই আলোচনা কৰা। ৬+৮=১৪

অথবা

(খ) 'জীৱনীমূলক উপন্যাস' বুলিলে কি বুজা, সংক্ষেপে লিখা। অসমীয়া জীৱনীমূলক উপন্যাস সম্পৰ্কে এটি আলোচনা যুগুত কৰা। ৪+১০=১৪

Unit – II

২) (ক) "মূল ভানুমতীৰ কাহিনী গোটেইটো কাল্পনিক। গতিকে ইয়াক ঐতিহাসিক উপন্যাস বুলিব নোৱাৰি।" - মন্তব্যটিৰ এটি বিশ্লেষণ আগবঢ়োৱা। লগতে ভানুমতী উপন্যাসৰ প্ৰথম চাৰিটা অধ্যায়ৰ শিৰোনাম উল্লেখ কৰা। ১০+৪=১৪

অথবা

(খ) 'মনোমতী' উপন্যাসৰ 'পাতনি'ত ঔপন্যাসিকে এই উপন্যাসখন ৰচনাৰ উদ্দেশ্য সম্পৰ্কে কোৱা কথাখিনিৰ আভাস দি 'মনোমতী' উপন্যাসত নৱবৈষ্ণৱ ধৰ্মৰ কথা কিদৰে প্ৰতিফলিত হৈছে, বিতংকৈ আলোচনা কৰা। ৪+১০=১৪

Unit – III

৩) (ক) " 'কেঁচাপাতৰ কঁপনি' উপন্যাসৰ নায়ক উৎপলৰ যি ঘটে বা তাৰ যিবোৰ অভিজ্ঞতা সেইবোৰ সুসংলগ্ন বা সুসংহত নহয়।" - এই মন্তব্যটিৰ আলমত আধুনিকতাবাদী উপন্যাস হিচাপে 'কেঁচা পাতৰ কঁপনি' উপন্যাসখণৰ এটি বিচাৰ আগবঢ়োৱা। লগতে 'উৎপল' চৰিএটিৰো এটি চমু বিশ্লেষণ দাঙি ধৰা। ৮+৬=১৪

অথবা

(খ) 'জীৱনৰ বাটত' উপন্যাসখনত অসমৰ সাংস্কৃতিক জীৱনৰ ছবি কি দৰে প্ৰতিফলিত হৈছে আলোচনা কৰি উপন্যাসখনৰ 'তগৰ' চৰিত্ৰটিৰ এটি বিশ্লেষণ আগবঢ়োৱা। ৮+৬=১৪

Unit – IV

৪) (ক) 'ইয়াৰুইঙ্গম' উপন্যাসৰ চৰিত্ৰবোৰৰ মাজেদি স্বদেশ প্ৰেমৰ ভাব কিদৰে ফুটি উঠিছে বিচাৰ কৰি উপন্যাসখনৰ 'বিশ্বাং' চৰিত্ৰটিৰ এটি বিশ্লেষণ আগবঢ়োৱা। ৮+৬=১৪

অথবা

(খ) সমাজ-বাস্তৱতা প্ৰকাশক উপন্যাস হিচাপে 'আজিৰ মানুহ' উপন্যাসখনৰ এটি আলোচনা আগবঢ়াই উপন্যাসখনৰ ৰচনাশৈলীৰ চমু আভাস দিয়া। ৮+৬=১৪

Unit – V

৫) (ক) "সামাজিক অৱক্ষয়, সাংস্কৃতিক বিপৰ্যয় আৰু নৈতিক অধঃপতনে ব্যক্তিৰ ওপৰত কেনেকৈ প্ৰভাৱ বিস্তাৰ কৰে, মালিকৰ অন্যতম উপন্যাস 'অঘৰী আত্মাৰ কাহিনী' তাৰেই পৰিচয় মাথোন।" - 'অঘৰী আত্মাৰ কাহিনী' উপন্যাস সম্পৰ্কত কৰা উক্ত মন্তব্যৰ যথাৰ্থতা বিচাৰ কৰি উপন্যাসখনৰ নামকৰণৰ তাৎপৰ্য চমুকৈ লিখা। ১০+৪=১৪

অথবা

(খ) 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা' উপন্যাসৰ কাহিনীৰ পটভূমি আৰু উপন্যাসখনত প্ৰতিফলিত হোৱা 'নাৰী জীৱন' সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা। ৬+৮=১৪

★★★